# Telephone conversation between Prime Minister and President of USA

June 02, 2020

# প্ৰধানমন্ত্ৰী আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰ মাজত টেলিফোনযোগে বাৰ্তালাপ

জুন  02, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি মহামান্য ডনাল্ড ট্ৰাম্পৰ সৈতে টেলিফোন যোগে বাৰ্তালাপ কৰে।

ৰাষ্ট্ৰপতি ট্ৰাম্পে মাৰ্কিন প্ৰেছিডেন্সিৰ গ্ৰুপ অফ চেভেনৰ বিষয়ে সদৰি কৰাৰ লগতে ভাৰত সহ অন্যান্য গুৰুত্বপূৰ্ণ দেশক অন্তৰ্ভূক্ত কৰি এই গ্ৰুপৰ সদস্য বৃদ্ধিৰ বিষয়ে তেখেতৰ পৰিকল্পনাৰ কথা জনায়। এই সন্দৰ্ভত, তেখেতে প্ৰধানমন্ত্ৰী মোডীক আমেৰিকা যুক্তৰাষ্ট্ৰত অনুষ্ঠিত হবলগীয়া জি-7 শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ জনায়।

প্ৰধানমন্ত্ৰী মোডীয়ে ৰাষ্ট্ৰপতি ট্ৰাম্পৰ সৃজনশীল আৰু দূৰদৰ্শী মনোভাৱৰ প্ৰশংসা কৰি এই সত্যটো স্বীকাৰ কৰি কয় যে এই ধৰণৰ সম্প্ৰসাৰিত মঞ্চৰ কভিডৰ পৰৱৰ্তী বিশ্বৰ উদীয়মান বাস্তৱিকতাৰ সৈতে সামঞ্জস্য থাকিব। প্ৰধানমন্ত্ৰীয়ে কয় যে প্ৰস্তাৱিত এই শীৰ্ষ সন্মিলনক সফল কৰি তুলিবলৈ ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু অন্য দেশসমূহৰ সৈতে কাম কৰিবলৈ পালে সুখী হব।

প্ৰধানমন্ত্ৰী মোডীয়ে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ বিদ্যমান নাগৰিক অস্থিৰতাক লৈ উদ্বেগ প্ৰকাশ কৰিছে আৰু পৰিস্থিতিৰ দ্ৰুত সমাধানৰ কাৰণে আশা প্ৰকাশ কৰে।

দুয়োগৰাকী নেতাই দুয়োখন দেশত কভিড-19-ৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতি, ভাৰত-চীন সীমান্তৰ ঘটনাৱলী, বিশ্ব স্বাস্থ্য সংস্থাৰ সংস্কাৰৰ প্ৰয়োজনীয়তাকে ধৰি বিভিন্ন প্ৰাসংগিক বিষয়সমূহক লৈ মত বিনিময় কৰে।

ৰাষ্ট্ৰপতি ট্ৰাম্পে এই বছৰৰ ফেব্ৰুৱাৰী মাহত কৰা ভাৰত ভ্ৰমণৰ কথা স্মৰণ কৰে। প্ৰধানমন্ত্ৰী মোডীয়ে কয় যে বিভিন্ন দিশৰ পৰা এই ভ্ৰমণ স্মৰণীয় আৰু ঐতিহাসিক আছিল আৰু এই ভ্ৰমণৰ ফলত দ্বিপাক্ষিক সম্পৰ্কই নতুন মাত্ৰা লাভ কৰে।

মুক্ত আৰু ব্যতিক্ৰমী আলোচনাৰ জৰিয়তে ভাৰত-মাৰ্কিন সম্পৰ্কৰ বিশেষ প্ৰতিচ্ছবিৰ লগতে দুয়োগৰাকী নেতাৰ মাজত বন্ধুত্ব আৰু পাৰস্পৰিক সন্মানৰ দিশতোক প্ৰতিফলিত কৰে।

**নতুন দিল্লী**
**জুন 02, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.